**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 5-11-2024
**Time :** 07-55 Hrs

***<u>Assamese Morning Bulletin</u>***
***::::::::::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি ঢলাই বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ উপ নিৰ্বাচনৰ প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ হৈ দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। কালি কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীৰ হৈ কেন্দ্ৰীয় নেতা জিতেন্দ্ৰ সিঙে সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ চলাই ছিল। লক্ষ্যনীয় যে, ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসকীয় বিজেপিকে ধৰি অন্যান্য দলসমূহে সমষ্টিয়ে সমষ্টিয়ে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ সভাৰ আয়োজন কৰিছে।

০০০০০০০

বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ আজি ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী। ২০১১ চনৰ আজিৰ দিনটোতেই অনুৰাগীক শোকাহত কৰি শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। ড০ হাজৰিকাৰ মৃত্যু বাৰ্ষিকীত ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে শিল্পীগৰাকীক সোঁৱৰণ কৰিবলৈ লোৱা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাধিস্থলত পুৱা চাৰে ৯ বজাৰ পৰা স্মৃতিচাৰণ সভা আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হ'ব। স্মৃতিচাৰণ সভাত মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। আনহাতে দিনৰ চাৰে ১১ বজাৰ পৰা হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত কেইবাগৰাকীও শিল্পীয়ে গীত-নৃত্যৰ অনুষ্ঠান পৰিৱেশন কৰিব। শিল্পীগৰাকীৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী উপলক্ষে ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে গুৱাহাটীৰ চচলত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰিছে। দীঘলীপুখুৰী পাৰত থকা সুধাকণ্ঠৰ প্ৰতিমূৰ্তিস্থলীত সদৌ অসম ছাত্ৰ সন্থাই ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ছাত্ৰ সন্থাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি হিচাপে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এটা বিবৃতিত ছাত্ৰ সন্থাই প্ৰকাশ কৰা অনুসৰি দীঘলীপুখুৰী পাৰত দিনৰ চাৰে ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি হ'ব আৰু সন্ধিয়া ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰা হ'ব। ড০ ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি দিনজোৰা কাৰ্যসূচীৰে গণেশপাৰা মিলনজ্যোতি সংঘৰ খেলপথাৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৩ নৱেম্বৰত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। আনহাতে আজি দিনৰ ২ বজাৰ পৰা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু সন্ধিয়া ৫ বজাত মুকলি সভা তথা বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। বড়োলেণ্ড বিশ্ববিদ্যালয়তো ড০ হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে গোৱালপাৰা জিলাত থকা দেশৰ সৰ্ববৃহৎ ডিটেনচন কেম্পত আৱদ্ধ কৰি ৰখা সন্দেহযুক্ত নাগৰিকৰ বাবে পৰ্যাপ্ত সা-সুবিধা নথকা বিষয়টোত উদ্বেগ প্ৰকাশ কৰিছে। এই সন্দৰ্ভত ৰুজু হোৱা এটা গোচৰৰ শুনানি গ্ৰহণ কৰি কালি উচ্চতম ন্যায়ালয়ে সংশ্লিষ্ট বিভাগৰ সচিবক ডিটেনচন কেম্পটো শীঘ্ৰে পৰিদৰ্শন কৰি ইয়াৰ সৈতে জড়িত সকলো বিষয়াৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে ডিটেনচন কেম্পত আৱদ্ধ কৰি ৰখা সন্দেহযুক্ত নাগৰিকসকলে যাতে ন্যূনতম সকলো সা-সুবিধা লাভ কৰে সেই সন্দৰ্ভতো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। নিৰ্দেশনাটোত এমাহৰ ভিতৰত সংশ্লিষ্ট বিষয়াগৰাকীক চৰকাৰে প্ৰদান কৰা সা-সুবিধাসমূহক লৈ শপতনামা দাখিল কৰিবলৈও উল্লেখ কৰা হয়। উল্লেখযোগ্য যে, মাটিয়াৰ ডিটেনচন কেম্পত থকা লোকসকলক উপযুক্ত সা-সুবিধাৰ পৰা বঞ্চিত কৰাৰ অভিযোগেৰে উচ্চতম ন্যায়ালয়ত এগৰাকী সচেতন নাগৰিকে এখন লেখ আবেদন দাখিল কৰিছিল। পূৰ্বে আবেদনখনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণক বিষয়টো নিৰীক্ষণৰ নিৰ্দেশ দিছিল। ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণে সমগ্ৰ বিষয়টো নিৰীক্ষণ কৰি যোৱা ২৪ অক্টোবৰত উচ্চতম ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিছিল।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰত আজি বহু প্ৰত্যাশিত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰিপাব্লিকান প্ৰাৰ্থী তথা দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ডেম'ক্ৰেটিক প্ৰাৰ্থী তথা বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতাৰে যুক্তৰাষ্ট্ৰৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি আজি বিয়লি চাৰে ৫ বজাৰ পৰা চাৰে ৭ বজাৰ ভিতৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈ কাইলৈ পুৱা চাৰে ৫ বজাৰ পৰা চাৰে ৯ বজাৰ ভিতৰত এই ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ অন্ত পৰিব। ভোটগ্ৰহণৰ সামৰণিৰ পাছতেই ফলাফল আশা কৰিব পৰা যাব যদিও কিছুদিন পাছতহে পৰৱৰ্তী ৰাষ্ট্ৰপতিগৰাকীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব। ইতিমধ্যে বহু লোকে পোষ্টেল ভোটদান ব্যৱস্থাৰ জৰিয়তে ভোটদান কৰিছে। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰত পৰোক্ষ নিৰ্বাচনী ব্যৱস্থা ইলেকট'ৰেল কলেজৰ জৰিয়তে ৰাষ্ট্ৰপতি নিৰ্বাচন কৰা হয়। ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ বাবে প্ৰাৰ্থীগৰাকীয়ে ৫৩৮টা ইলেকট'ৰেল কলেজ ভোটৰ ভিতৰত ২৭০ বা ততোধিক ভোটৰ জৰিয়তে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব লাগিব।

০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, ভাৰত বিশ্বৰ একমাত্ৰ দেশ য'ত এঘাৰটা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া হৈছে। নতুন দিল্লীত কালি মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় হিন্দী সমিতিৰ ৩২ সংখ্যক বৈঠকত শ্ৰীশ্বাহে এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, হিন্দী ভাষাৰ বিকাশ তথা উদগণি যোগোৱাৰ বাবে নীতি-নিৰ্দেশনা প্ৰদান কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় হিন্দী সমিতিয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰে। হিন্দী ভাষাক শক্তিশালী কৰি তোলাৰ বাবে শ্ৰীশ্বাহে দুটা পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰে প্ৰথমটো হৈছে হিন্দী সাহিত্য আৰু ব্যাকৰণ গাঁথনিৰ বিকাশ সংৰক্ষণ আৰু স্থায়িত্বৰ বাবে দীৰ্ঘম্যাদী নীতি

বিকশাই তোলা। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, সকলো আধুনিক শৈক্ষিক বিষয়বস্তু হিন্দী আৰু আন সকলো ভাৰতীয় ভাষালৈ অনুবাদ কৰাটো অত্যন্ত জৰুৰী।

0000000

**সমাপ্ত**